# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI

0000000000

**Date : 27-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ২০২৫-২৬ নতুন শিক্ষাবৰ্ষৰ সকলো বিদ্যালয়ৰ বাবে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হব লাগিব। শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰিহে বিদ্যালয় এৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষাসেঁতু এপত অন্তৰ্ভুক্ত কৰিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য লোৱাৰ বাবে শ্ৰেণী শিক্ষক দায়বদ্ধ হ'ব লাগিব। লগতে সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল পৰ্যায়তো শিক্ষাদান কৰিব লাগিব বুলি নিৰ্দেশনাটোৰ জৰিয়তে প্ৰকাশ কৰা হৈছে।

০০০০

ভাৰতীয় জনতা পাৰ্টিৰ মৰান মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাত আজি কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দলৰ সাংগঠনিক কাম-কাজ আৰু বিভিন্ন দিশৰ পৰ্যালোচনা কৰি কাৰ্যকৰ্তাসকলক দিহা পৰামৰ্শ প্ৰদান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত সেৱা, সুশাসন আৰু গৰীব কল্যাণৰ জন আন্দোলনক শক্তিশালী কৰি তোলাৰ বাবে সকলোকে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ শ্ৰীসোণোৱালে আহ্বান জনায়। এই সভাত ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰাকে ধৰি জিলা বিজেপিৰ বিষয়ববীয়াৰ লগতে দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০

দেশৰ ৫০০ টা অভিলাসী উন্নয়ন খণ্ডৰ ভিতৰত তামুলপুৰ উন্নয়ন খণ্ডই প্ৰথম স্থান লাভ কৰিছে। নীতি আয়োগৰ এখন ভাৰ্চুৱেল বৈঠকত আজি চলিত বৰ্ষৰ জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ মূল্যায়নৰ ভিত্তিত তামুলপুৰ উন্নয়ন খণ্ডই এই সফলতা লাভ কৰিছে বুলি প্ৰকাশ কৰা হয়। এই সফলতাৰ স্বীকৃতিস্বৰূপে তামুলপুৰে উন্নয়নমূলক প্ৰচেষ্টা আৰু অধিক ত্বৰান্বিত কৰাৰ বাবে ৩ কোটি টকা লাভ কৰিব।

০০০০

চলিত বছৰত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিবলগীয়া শিক্ষাৰ্থীৰ বাবে দৰং জিলাৰ মহাবিদ্যালয়সমূহত পৰ্যাপ্ত আসন নথকাৰ বাবে সদৌ দৰং জিলা ছাত্ৰ সন্থাই আজি শিক্ষামন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আসনৰ

অভাৱত যাতে শিক্ষাৰ্থীসকলে স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰা বঞ্চিত হবলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা ছাত্ৰ সন্থাই আহ্বান জনায়। ছাত্ৰ সংগঠনটোৱে জিলা আয়ুক্তৰ জৰিয়তে  শিক্ষামন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০

বঙাইগাওঁ জিলাত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ঘাইপথত ই-ৰিক্সাৰ চলাচল বন্ধ কৰা হৈছে। জিলা দণ্ডাধীশ তথা জিলা পথ সুৰক্ষা সমিতিৰ অধ্যক্ষ নৱদীপ পাঠকে আজি নিৰ্দেশনাৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। ই-ৰিক্সাক কেৱল ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ঘাইপথ সংযোগকাৰী পথতহে চলাচল কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। এই নিৰ্দেশনা উলংঘা কৰা ব্যক্তিক আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা দণ্ডাধীশগৰাকীয়ে প্ৰকাশ কৰে। ঘাইপথত যান-জট আৰু দুৰ্ঘটনা ৰোধৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি নিৰ্দেশনাটোৰ জৰিয়তে জানিবলৈ দিয়া হৈছে।

০০০০

হোজাই জিলাৰ যোগীজানত থকা কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান ভৱনক হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অতিৰিক্ত শ্ৰেণীকক্ষলৈ পৰিৱৰ্তন কৰা হ'ব। উল্লেখযোগ্য যে পৰিত্যক্ত অৱস্থাত থকা কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠানখনৰ ভৱনটো চলিত বছৰৰ পৰাই ব্যৱহৃত হ'ব। ফলস্বৰূপে প্ৰতিষ্ঠানখনত এহেজাৰ ৭০০ শিক্ষাৰ্থীয়ে নামভৰ্তিৰ লগতে ভৱনটোত পাঠদানৰ সুবিধা লাভ কৰিব।

০০০০

দৰং জিলাৰ মঙলদৈৰ প্ৰস্তাৱিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ কাষৰ পকাবাঙিপাৰা গাওঁত আজি নতুন আৱৰ্ত ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতি আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে। ইয়াৰ পূৰ্বে পৰম্পৰাগত নিয়ম অনুসৰি ভূমি পূজন কৰা হয়। উল্লেখযোগ্য যে জিলা প্ৰশাসনে প্ৰস্তাৱিত সমন্বিত জিলা আয়ুক্তৰ কাৰ্যালয় আৰু আৱৰ্ত ভৱনৰ সমীপত প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে ১৫০ বিঘা ভূমি আবণ্টণ দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৮ চেপ্তেম্বৰত এই চিকিৎসা মহাবিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰাৰ কথা।

০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ লেঙেৰীস্থিত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ সভাকক্ষত আজি বিয়লিৰ ভাগত এখন বান সজাগতামূলক সভা অনুষ্ঠিত হয়। কাৰ্বি লাংপি প্ৰকল্পৰ মহাপ্ৰবন্ধক লংছিং বে'ৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত এশ মেগাৱাট শক্তিসম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানীয়ে প্ৰতিবছৰে ক্ষতিগ্ৰস্ত কৰা প্ৰায় অৰ্ধশতাধিক গাওঁৰ ৰাইজক সজাগ কৰাৰ অৰ্থে বিশদভাৱে আলোচনা কৰা হয়।

০০০০

সমাপ্ত